জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৭৬/২০২১

## আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ উদ্যোগত আৰু বিশ্ব বেংকৰ অৰ্থ সাহাৰ্যৰে নিৰ্মাণ কৰা ৫ খন জাহাজ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৰ্চগা কৰিলে মুখ্যমন্ত্ৰীয়ে

# জলপৰিবহন ব্যৱস্থাক অধিক সুৰক্ষিত কৰাৰ উদ্দেশ্যে প্ৰায় ৯০ কোটি টকা ব্যয় সাপেক্ষে গ্ৰহণ কৰা এখন অভিলাষী আঁচনিৰে ৰাজ্য চৰকাৰে নিজস্ব পুঁজিৰে ৮৫৩ খন ফেৰীত সংযুক্ত কৰিব মেৰিন ইঞ্জিন ঃ মুখ্যমন্ত্ৰী

## ৰাজ্য চৰকাৰৰ নিজা পুঁজিৰে অতিৰিক্তভাৱে ৫ খন ৰো-পেক্স ক্ৰয় কৰাৰ সিদ্ধান্ত

**দিছপুৰ, ১৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ উদ্যোগত আৰু বিশ্ব বেংকৰ অৰ্থ সাহাৰ্য্যৰে নিৰ্মাণ কৰা ৫ খন জাহাজ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৰ্চগা কৰে। গুৱাহাটীৰ লাচিত ঘাটত মুখ্যমন্ত্ৰী ড° শৰ্মাই পতাকা জোকাৰি সেৱা আৰম্ভ কৰা এই জাহাজ কেইখনৰ এম ভি লুইত নামৰ জাহাজখন নিমাতীঘাট আৰু কমলাবাৰীৰ মাজত, এম ভি সোণাই নামৰ জাহাজখন গুৱাহাটী আৰু কুৰুৱাৰ মাজত আৰু গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতীমা বৰুৱা পাণ্ডেৰ নামত উৎসৰ্গিত এম ভি প্ৰতীমা নামৰ জাহাজখন ধুবুৰীৰ ফেৰী সেৱাত নিয়োজিত হ'ব। এই জাহাজ কেইখনৰ প্ৰত্যেকখনে এবাৰত ১০০ গৰাকী যাত্ৰী আৰু ৫০ খন মটৰ চাইকেল কঢ়িয়াই নিব পাৰে। আনহাতে, আন দুখন জাহাজ নিৰীক্ষণৰ কামত ব্যৱহৃত হ'ব। এই জাহাজ দুখনে ৰাজ্য চৰকাৰে জলপৰিবহনৰ ক্ষেত্ৰত নতুনকৈ জাৰি কৰা আদৰ্শ পৰিচালনা বিধি (এছ অ' পি) পালন কৰা হৈছে নে নাই সেইটো নিৰীক্ষণ কৰিব।

উল্লেখ্য যে ২০১৫ চনৰ আক্টোবৰত ৰাজ্যখনৰ আভ্যন্তৰীণ জলপৰিবহন ব্যৱস্থা সুচলতৰ কৰাৰ বাবে ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে অসম আভ্যন্তৰীণ জলপৰিবহন প্ৰকল্পত অনুমোদন জনাইছিল। এই প্ৰকল্পৰ মূল লক্ষ্য হৈছে ৰাজ্যখনৰ যাত্ৰীবাহী ফেৰী সেৱাৰ উন্নীতকৰণ, আভ্যন্তৰীণ জলপৰিবহন বিভাগৰ প্ৰাতিষ্ঠানিক সামৰ্থ বৃদ্ধি কৰা। এই প্ৰকল্পৰ অধীনতে আজি মহানগৰীৰ ঐতিহাসিক লাচিত ঘাটত ৫ খন ফেৰী সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হৈছে। এই ফেৰী সেৱা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ইয়াৰে এখন জাহাজ আজিয়েই নিমাতীঘাট অভিমুখে যাত্ৰা আৰম্ভ কৰিব। আনহাতে, অতিৰিক্ত দুখন জাহাজ আজিৰ ভিতৰতে নিমাতীঘাট পোৱাৰ সম্ভাৱনা আছে। ইয়াৰ ফলত নিমাতীঘাট আৰু কমলাবাৰীৰ মাজত ইতিমধ্যে চলাচল কৰি থকা দুখন ৰো-পেক্স জাহাজৰ সৈতে নতুনকৈ তিনিখন জাহাজৰ সেৱা সংযোজিত হ'ব আৰু যাত্ৰীসকলে ইমান দিনে যাতায়াতৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা অসুবিধাসমূহ যথেষ্ট পৰিমাণে লাঘব হ'ব। জলপৰিবহন ব্যৱস্থাটো অধিক সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে প্ৰায় ৯০ কোটি টকা ব্যয় সাপেক্ষে এখন অভিলাষী আঁচনি

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
### প্ৰেছ বাৰ্তা

লোৱাৰ কথাও মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি সদৰি কৰে। তেওঁ কয় যে এই আঁচনিৰ অধীনত ব্ৰহ্মপুত্ৰত চলাচল কৰা ৮৫৩ খন একক ইঞ্জিনযুক্ত ফেৰীত ৰাজ্য চৰকাৰে নিজা খৰচত মেৰিন ইঞ্জিন সংযুক্ত কৰাৰ বাবে পদক্ষেপ লৈছে। তেওঁ কয় যে এনে ৭ টা মেৰিন ইঞ্জিন আগন্তুক সপ্তাহতে ধুবুৰীত চলাচল কৰা ফেৰীত সংযোজিত কৰা হ'ব। আনহাতে, মাজুলী আৰু নিমাতীঘাটৰ মাজত চলা ফেৰীৰ বাবেও এনে ইঞ্জিন ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে সদৰি কৰে যে ৰাজ্য চৰকাৰে নিজস্ব পুঁজিৰে অতিৰিক্তভাৱে ৫ খন ৰো-পেক্স ক্ৰয় কৰাৰ সিদ্ধান্ত লৈছে। মাজুলী, ধুবুৰী, উত্তৰ গুৱাহাটীকে ধৰি জাহাজঘাটসমূহত যাত্ৰীসকলৰ সুচল জলযাতায়াতৰ বাবে এই জাহাজসমূহ চলোৱা হ'ব। তেনেদৰে, যাত্ৰীৰ সুৰক্ষা অধিক সুনিশ্চিতকৰণৰ লক্ষ্যৰে নাৱিকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা, ফেৰী তথা জাহাজসমূহৰ 'ফিটনেছ' পৰীক্ষণৰ ব্যৱস্থাকে ধৰি বহু ব্যৱস্থা হাতত লোৱা হৈছে যাতে মানৱীয় কোনো ভুল-ত্ৰুটিৰ সম্ভাৱনা যিমানদূৰ সম্ভৱ দূৰ কৰিব পৰা যায়। তেওঁ লগতে কয় যে বিগত এসপ্তাহত আভ্যন্তৰীণ জলপৰিবহন বিভাগে দ্ৰুততাৰে যিবোৰ পদক্ষেপ গ্ৰহণ কৰিছে ইয়াৰ ফলত জনসাধাৰণে উন্নত আৰু সুৰক্ষিত সেৱা লাভ কৰিবলৈ সক্ষম হ'ব। এই ফেৰী সেৱা শুভাৰম্ভ কৰাৰ পূৰ্বে লাচিত ঘাটত বিভাগে আয়োজন কৰা বিশ্বকৰ্মা পূজাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ধূপ-চাকি জ্বলাই সেৱা আগবঢ়ায়।

আজিৰ এই অনুষ্ঠানত পৰিবহন বিভাগৰ প্ৰধান সচিব কে কে দ্বিৱেদী, আয়ুক্ত আদিল খানকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**১৭-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in